**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::**

সংসদৰ দুমাহজোৰা বাজেট অধিবেশন আজি আৰম্ভ হৈছে। অধিবেশনৰ আৰম্ভণিৰ দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিয়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাষণৰ আৰম্ভণিতে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ কুম্ভমেলাত হোৱা হেঁচা-ঠেলাৰ ঘটনাত পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা ভক্তসকলৰ লগতে ২৪ ডিচেম্বৰত দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙলৈ শ্ৰদ্ধা নিবেদন কৰে। মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালত তিনিগুণ ক্ষীপ্ৰতাৰে কাম হৈছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ বিকাশ আৰু জনসাধাৰণৰ কল্যাণৰ বাবে নিৰন্তৰ কাম কৰি আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে চৰকাৰৰ বিভিন্ন আঁচনিত আলোকপাত কৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সম্প্ৰসাৰণৰ জৰিয়তে অতিৰিক্ত ৩ কোটি পৰিয়ালক নতুন ঘৰ প্ৰদানৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে। আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত চৰকাৰে ৭০ বছৰ উৰ্দ্ধৰ ৬ কোটি জ্যেষ্ঠ নাগৰিকক স্বাস্থ্য বীমা প্ৰদানৰ সিদ্ধান্তৰ কথাও ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। চৰকাৰে যুৱ চামৰ বাবে শিক্ষা আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বিষয়ক অগ্ৰাধিকাৰ দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশৰ শীৰ্ষ ৫০০টা কোম্পানীত ১ কোটি যুৱক-যুৱতীক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে।

ৰাষ্ট্ৰপতিৰ ভাষণৰ পাছতে আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই অৰ্থনৈতিক সমীক্ষাত চলিত বিত্তিয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা  উৎপাদন ৬ দশমিক ৪ শতাংশলৈ বৃদ্ধিৰ লগতে ২০২৬ বিত্তীয় বৰ্ষত বিকাশৰ হাৰ ৬ দশমিক ৩ ৰপৰা ৬ দশমিক ৮ শতাংশৰ ভিতৰত হ'ব বুলি আশা কৰা হৈছে।

বিত্তমন্ত্ৰী সীতাৰমনে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। সোমবাৰে ৰাজ্যসভা আৰু লোকসভাত ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱক লৈ আলোচনা হ'ব।

০০০০

বজালী জিলাৰ পাঠশালাত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে  অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসমৰ জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি পাঠশালা সাহিত্য সভাৰ ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰে। ইয়াৰ পাছতে আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক তথা অসম সৌৰভ বঁটা প্ৰাপক কৃষ্ণ ৰয়ে এটা খৰ্গযুক্ত গড়ৰ আকৃতিত নিৰ্মাণ কৰি উলিওৱা অধিবেশনৰ মূল তোৰণ উদ্বোধন কৰে। অসম সাহিত্য সভাৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে বিজ্ঞান মেলাৰ সংযোজন কৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কৰ্ণেল গুৰুপ্ৰসাদ দাস বিজ্ঞান মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বিজ্ঞান মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সভাত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভুষণ দেৱচৌধুৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্ট দেৱৰ জীৱন-আদৰ্শত আলোকপাত কৰে। সাহিত্য সভাৰ সৈতে সংগতি ৰাখি আজি কৈলাশ মল্লবৰুৱা সোঁৱৰণী গ্ৰন্থমেলা ৰাইজৰ বাবে মুকলি কৰা হয়। বিশিষ্ট সাহিত্যক তথা তেজপুৰ

বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য ড° অমৰ জ্যোতি চৌধুৰীয়ে এই গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰাৰ লগতে শিশু সাহিত্য ন্যাসৰ সচিব ঋষিকেশ গোস্বামীয়ে গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰে। এই গ্ৰন্থমেলাতে আজি জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ **অসম বিধান সভাত কামেশ্বৰ দাস** শীৰ্ষক গ্ৰন্থখন বিশিষ্ট লেখক অঞ্জন শৰ্মাই উন্মোচন কৰে।

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত উলহ-মালহৰ পৰিবেশৰ সৃষ্টি হৈছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশনত এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ভট্টদেৱ ক্ষেত্ৰত অসম সাহিত্য সভাৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত সাজি উলিওৱা ৮৭ ফুট উচ্চতাৰ বৃহৎ জাপিটোৱে ইণ্ডিয়া বুক অব ৰেকৰ্ডছত স্থান পাইছে। এইবাৰৰ অধিবেশনত সাহিত্য ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ১০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আহোম জনগোষ্ঠীয় লোকসকলৰ পবিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হয়। আহোম জনগোষ্ঠীয় লোকসকলে আজিৰ দিনটোত পুলিন-পুথাওসকলক স্মৰণ কৰি তেওঁলোকৰ আশীষেৰে নতুন উদ্যম আৰু কৰ্মশক্তিৰে উজ্জীৱীত হৈ সমাজৰ কামত আগবাঢ়ি যাবলৈ প্ৰাৰ্থনা কৰে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসন তথা বৃহত্তৰ কেন্দ্ৰীয় মে-ডাম-মেফি উদযাপন সমিতিৰ সহযোগত চৰাইদেউ পি এম শ্ৰী সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠান পালন কৰা হয়।

প্ৰতি বছৰৰ দৰে শিৱসাগৰ জিলাৰ কাৰেংঘৰ, তলাতল ঘৰ, চৰাইদেউৰ মৈদাম প্ৰাঙ্গণ, লেচাই মৈদামতো এই অনুষ্ঠান আয়োজন কৰা হয়। শিৱসাগৰ জিলাৰ লগতে যোৰহাট, ধেমাজি, গুৱাহাটীৰ হেঙেৰাবাৰী, গণেশগুৰি, পাথৰকুৰেৰীত পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে মে-ডাম-মেফি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

দক্ষিণ শালামাৰা -মানকাচৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত এশ দিনীয়া কাৰ্যসূচীৰে যক্ষ্মামুক্ত বিশেষ অভিযান চলি আছে। এই অভিযানৰ অধীনত প্ৰতিখন স্বাস্থ্য কেন্দ্ৰৰ কৰ্মীৰ লগতে আশাকৰ্মীৰ সহযোগত জিলাখনৰ বিভিন্ন অঞ্চলত যক্ষ্মা ৰোগ সন্দৰ্ভত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৬০ বছৰ উৰ্ধৰ সকলো ব্যক্তিক স্বাস্থ্যপৰীক্ষা কৰা হৈছে। হাতশিঙিমাৰী জিলা স্বাস্থ্য বিভাগে চিনাক্ত হোৱা যক্ষ্মা ৰোগীক বিনামুলীয়া চিকিৎসা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। যোৱা ২২ ডিচেম্বৰৰ পৰা এই যক্ষ্মামুক্ত বিশেষ অভিযান অব্যাহত আছে।

০০০০

সমাপ্ত